# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ছিংগাপুৰ ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমক সাক্ষাৎ কৰে। ড০ শৰ্মাই ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভাৰত-ছিংগাপুৰৰ কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনাত মিলিত হয়। তেওঁ লগতে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰি ভাৰতৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসম আৰু ছিংগাপুৰৰ মাজত থকা অংশীদাৰিত্ব সুদৃঢ় কৰাৰ বিষয়ত মত বিনিময় কৰে। মুখ্যমন্ত্ৰী শৰ্মাই দেশখনৰ ছুৰবানা জুৰং উদ্যোগৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ একৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁ বিষয়াগৰাকীক অনাগত দিনত অসমক নগৰ উন্নয়নৰ লক্ষ্যৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখমন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতাসকলৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয় আৰু তেওঁলোকক জাগীৰোডত নিৰ্মাণ হ'বলগীয়া ইলেকট্ৰনিক চিটীৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি চলি আছে। এইবাৰৰ এডভাণ্টেজ আছামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিব।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ নাৰেঙ্গীৰ কেন্দ্ৰীয় ভঁৰালত আয়োজিত এটা কাৰ্যসূচীত ২০২৫-২৬ শিক্ষা বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা উপস্থিত থাকে। শিক্ষামন্ত্ৰীগৰাকীয়ে অনুষ্ঠানৰ পাছত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত এই বছৰ ১৯টা ভাষা আৰু ৯টা মাধ্যমত ৩ কোটি ৪১ লাখ ৭৮ হাজাৰ ৫৮১ খন বিনামূলীয়া পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে। **ক** শ্ৰেণীৰ পৰা **দ্বাদশ** শ্ৰেণীলৈ ৫২ লাখ ৯১ হাজাৰ ৭০৭ গৰাকী শিক্ষাৰ্থীৰ মাজত এই পাঠ্যপুথিসমূহ বিতৰণ কৰা হ'ব। চলিত বছৰৰ ভিতৰতে পাঠ্যপুথিসমূহ ই-পাঠ্যপুথিলৈ ৰূপান্তৰিত কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ সুবিধা হোৱাকৈ এই ই-পাঠ্যপুথিত কিউ আৰ কোডৰ সৈতে অডিঅ'-ভিজুৱেল পাঠ সংযোজিত কৰা

হ'ব। ইয়াৰ বাবে ইতিমধ্যে প্ৰকল্প গ্ৰহণ কৰিবলৈ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডক আহ্বান জনোৱা হৈছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে। ডিজিটেল শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ডাঃ পেগুৱে কয়, যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষকক একোটাকৈ টেবলেট প্ৰদানৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা হ'ব। এই অনুষ্ঠানতে শিক্ষামন্ত্ৰীগৰাকীয়ে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। খালী পদৰ সংখ্যাৰ হিচাপতহে প্ৰাৰ্থী উত্তীৰ্ণ কৰা হ'ব আৰু ফলাফলৰ পাছতে বিজ্ঞাপনৰ জৰিয়তে এই পদসমূহৰ বাবে আবেদন কৰিবলৈ জাননী প্ৰকাশ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

নতুন দিল্লী আৰু শিলচৰৰ মাজত চলাচল কৰা সম্পৰ্কক্ৰান্তি এক্সপ্ৰেছ যোৱা নিশা শিলচৰৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ পাছতে কাছাৰৰ চন্দ্ৰনাথপুৰত উপস্থিত হোৱাৰ সময়ত ৰেলখনৰ এটা ডবাত অগ্নিকাণ্ড সংঘটিত হয়। অৱশ্যে ৰেলকৰ্মীয়ে তৎপৰতাৰে এই জুই নিৰ্বাপন কৰে আৰু প্ৰায় এঘণ্টাৰ পাছত ৰেলখনে পুনৰ যাত্ৰা আৰম্ভ কৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাৰ ফলত ৰেলযাত্ৰীৰ মাজত আতংকময় পৰিবেশৰ সৃষ্টি হয় যদিও ইয়াৰ ফলত কোনো যাত্ৰী হতাহত হোৱা নাই বুলি ৰেল কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

পৰহিলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসাধাৰণৰ সমাগম নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষাৰ্থীসকলে মোবাইল ফোন, স্মাৰ্ট ঘড়ী, ইলেকট্ৰনিক পেন, কেলকুলেটৰ আদি সামগ্ৰী লৈ পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। পৰীক্ষা ব্যৱস্থাৰ স্বচ্ছতা, সততা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ উদ্দেশ্যে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

কোকৰাঝাৰ জিলাত সদৌ বড়ো ছাত্ৰ সন্থাৰ সহযোগত বড়ো মাতৃ সংস্থাই বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি সজাগতা আৰু প্ৰতিবাদী সমদল উলিয়ায়। বডোফা শিশু উদ্যানৰ পৰা উলিওৱা এই সমদলত মহিলা গোট, ছাত্ৰ-ছাত্ৰী আৰু জিলাখনৰ ভালেমান লোকে অংশগ্ৰহণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে মহিলাৰ বিৰুদ্ধে অপৰাধ, চাইবাৰ অপৰাধ, মাদক দ্ৰব্য সেৱনৰ ফলত কৰা যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰাৰ লগতে এনে অপৰাধৰ বিৰুদ্ধে সকলোৰে একেলগে থিয় দিয়াৰ বাবে সংকল্প লোৱা হয়।

০০০০০০

শৈক্ষিক আৰু সামাজিক অনুষ্ঠান প্ৰজন্ম কলিয়াবৰৰ উদ্যোগত আৰু কলিয়াবৰবাসীৰ সহযোগত কুঁৰৰীটোল গান্ধী খেলপথাৰত আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে কলিয়াবৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। কলিয়াবৰৰ বিধায়ক তথা জ্যেষ্ঠ মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰা এই গ্ৰন্থমেলাত আজি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী সন্মানীয়

অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত ড০ গোস্বামীয়ে কয়, যে গ্ৰন্থ হৈছে অমৃত কুম্ভ য'ৰ পৰা আমি অমৃত লাভ কৰোঁ আৰু গ্ৰন্থই কাকো বিশ্বাসঘাতকতা নকৰে। আজিৰ উদ্বোধনী সভাত বিশিষ্ট সাহিত্যিক গুনীন হাজৰিকাই এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰে। গ্ৰন্থমেলাত আজি পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাকে ধৰি অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

সমাপ্ত